ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দি আর্টছ (আই.এফ.এ.)ৰ
তৰফৰ পৰা
কলা শিক্ষা কার্যসূচীৰ অধীনত
ভাৰতৰ চৰকাৰী সাহায্যপ্রাপ্ত আৰু জনসেৱামূলক বিদ্যালয়ৰ পৰা
কলা-সমন্বিত প্রকল্প (আর্টছ-ইন্টিগ্রেটেড প্রজেক্ট)ৰ আহ্বান

আবেদন দাখিলৰ অন্তিম তাৰিখ : **December 15, 2026**

ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দা আর্টছ চমুকৈ আই.এফ.এ.য়ে ভাৰতৰ নন-মেট্ৰ'পলিটান এলেকাৰ চৰকাৰী সাহায্যপ্রাপ্ত আৰু জনসেৱামূলক বিদ্যালয়ত কলা-সমন্বিত প্রকল্প ৰূপায়ণ কৰিব বিচাৰিছে। ভাৰতৰ শিক্ষানুষ্ঠানসমূহত শিকন আৰু শিক্ষণ – এই দুয়োটাকে কলা শিক্ষাৰ যোগেদি সবল কৰি তোলাৰ উদ্দেশ্যে এই কার্যসূচী হাতত লোৱা হৈছে।

স্কুলীয়া পাঠদানত যি শিকন শৈলী ব্যৱহাৰ কৰা হয়, তাৰ সৈতে বিভিন্ন কলাৰ সমন্বয় সাধন কৰি শিক্ষার্থীৰ বাবে শিকন এক আনন্দময় আৰু আকর্ষণীয় কার্য্যকলাপ কৰি গঢ়ি তোলা - এই উদ্দেশ্য আগত ৰাখি কলা শিক্ষা কার্যসূচী কলি-কলিচু (কন্নড় ভাষাত কালি মানে শিকা আৰু কালিচু মানে শিকোৱা) হাতত লোৱা হৈছে।

সেয়েহে আই.এফ.এ.-য়ে চৰকাৰী সাহায্যপ্রাপ্ত আৰু মুনাফা-অনাদায়ী বিদ্যালয়, যিয়ে কলা-সমন্বিত শিক্ষণ শৈলীৰ ভেটি গঢ়িব বিচাৰে আৰু শিক্ষার্থীৰ মাজত উৎসুকতা আৰু সৃষ্টিশীলতা বঢ়োৱাত আগ্রহী, তেনে বিদ্যালয়ৰ পৰা প্রকল্প প্রস্তাৱৰ আহ্বান জনাইছে।

ইয়াৰ পূর্বে আই.এফ.এ.-য়ে ৰূপায়ণ কৰা কিছুমান প্রকল্পৰ বিষয়ে জানিবলৈ ইয়াত ক্লিক কৰক।

প্রকল্পৰ পৰিসৰ:
এই প্রকল্পত তলত দিয়া এক বা ততোধিক বিষয়বস্তু অন্তর্ভুক্ত কৰিব পাৰে:

- শ্রেণীকোঠাৰ শিকন-শিক্ষণক স্থানীয় কলা আৰু সাংস্কৃতিক কার্য্য-কলাপৰ সৈতে সংযোজিত কৰা
- সকলো বিষয়ৰ শিকন-শিক্ষণৰ সৈতে কলাৰ সমন্বয় সাধন
- শিক্ষার্থীৰ বাস্তৱ অভিজ্ঞতাক শ্রেণীকোঠাৰ শিকন প্রক্রিয়াত অন্তর্ভুক্ত কৰা
- সম্প্রদায়টোৰ স্থানীয় শিল্পীৰ সৈতে কাম কৰা আৰু স্থানীয় সমলৰ প্রয়োগ

প্রকল্পৰ সময়সীমা: অতিকমেও এবছৰ আৰু সর্বাধিক ডেৰ বছৰ

বাজেট: সর্বাধিক **4,00,000/-** (চাৰি লাখ) টকালৈ বাজেট কৰিব পাৰে।

কোনে আবেদন কৰিব পাৰে?
নন-মেট্ৰ'পলিটান এলেকাৰ চৰকাৰী সাহায্যপ্রাপ্ত বা জনসেৱামূলক বিদ্যালয়ে আবেদন কৰিব পাৰে। এনে প্রতিষ্ঠানে স্থানীয় ভাষাৰ সৈতে কাম কৰাটো বাধ্যতামূলক আৰু কলা-সংস্কৃতি যে শিকন-শিক্ষণৰ অভিন্ন অংগ, সেয়া প্রতিষ্ঠানটোৱে বিশ্বাস কৰিব লাগিব।

অর্হতা:

- বিদ্যালয়খন ছ'চাইটি ৰেজিষ্ট্রেছন এক্ট, 1860 বা ইণ্ডিয়ান ট্রাষ্ট এক্ট, 1882ৰ অধীনত পঞ্জীকৃত প্রতিষ্ঠানৰ মালিকানাধীন বা তেনে প্রতিষ্ঠানৰ দ্বাৰা পৰিচালিত হ'ব লাগিব।
- বিদ্যালয়খন অতিকমেও তিনিবছৰ পুৰণি হ'ব লাগিব।

- বিদ্যালয়খনৰ অতিকমেও দুবছৰৰ অডিটেড ষ্টেটমেণ্ট থাকিব লাগিব।
- বৈধ পার্মানেণ্ট একাউণ্ট নাম্বাৰ (পি.এ.এন.) থাকিব লাগিব।

দাখিলৰ ক্ষেত্ৰত পৰামৰ্শৱলী:
আপুনি ইংৰাজীকে ধৰি যিকোনো ভাৰতীয় ভাষাত আপোনাৰ প্ৰকল্প প্ৰস্তাৱ লিখিব পাৰে। আই.এফ.এ.-য়ে ইংৰাজীৰ উপৰিও আন আন ভাৰতীয় ভাষাৰ প্ৰকল্পৰ প্ৰতি আগ্ৰহী।

আপোনাৰ চূড়ান্ত প্ৰকল্প প্ৰস্তাৱত তলত দিয়াখিনি থাকিব লাগিব:
- প্ৰকল্পৰ শিৰোনাম
- বিদ্যালয়খনৰ মিচন/ভৱিষ্যৎ কৰ্ম-আঁচনি/চমু আভাস
- শিক্ষাৰ্থীৰ সমাজ-সাংস্কৃতিক পটভূমি
- প্ৰস্তাৱিত প্ৰকল্পৰ উদ্দেশ্যাৱলী
- কৰ্মপদ্ধতি আৰু বিশদ কৰ্ম-পৰিকল্পনা
- প্ৰকল্পত কাম কৰিব বিচৰা সমল ব্যক্তিৰ সবিশেষ
- প্ৰকল্পৰ মূল্যায়নৰ প্ৰক্ৰিয়া
- প্ৰকল্পৰ পৰা আশা কৰা ফলাফল
- বাজেটৰ বিশদ বিৱৰণ

প্ৰকল্প প্ৰস্তাৱৰ সৈতে তলত দিয়া নথিবোৰ গাঁথি দিব:
- ন্যাসৰ চুক্তিপত্ৰ/মেম'ৰেণ্ডাম অৱ এচ'ছিয়েচনৰ প্ৰতিলিপি
- বৰ্তমানৰ ন্যাসৰক্ষী/সদস্যৰ তালিকা আৰু পৰিচয়
- 12A/ছ'চাইটি এক্টৰ অধীনত পঞ্জীকৰণৰ প্ৰতিলিপি
- অতিকমেও দুটা বছৰৰ অডিটৰৰ ৰিপ'ৰ্ট/অডিটেড ষ্টেটমেণ্ট
- প্ৰতিষ্ঠানৰ পেন কার্ডৰ প্ৰতিলিপি
- পূৰ্বতে কৰা বা বৰ্তমানে চলি থকা কলা শিক্ষা কার্যসূচীৰ সবিশেষ, যদিহে কৰিছে

আটাইবোৰ লাগতিয়াল নথিসহ চূড়ান্ত প্ৰকল্প প্ৰস্তাৱ **December 15, 2026**ৰ ভিতৰত এটা মেইলৰ ভিতৰতে আটাইখিনি সামৰি deepak@indiaifa.org-লৈ মেইল কৰক। মেইলৰ চাইজ ২৫ এমবি-ৰ বেছি হ'ব নালাগিব।

Subject line: IFA National Schools 2026-27 Proposal

মন কৰিব যে অসম্পূৰ্ণ প্ৰস্তাৱ আৰু অৰ্হতাৰ মাপকাঠীৰ ভিতৰত নপৰা প্ৰাৰ্থীৰ প্ৰস্তাৱ গ্ৰহণ কৰা নহ'ব।

বাচনি প্ৰক্ৰিয়া: বিবেচিত প্ৰস্তাৱসমূহ বাহ্যিক পেনেলে মূল্যায়ন কৰিব। আবেদনকাৰীয়ে পেনেলৰ সন্মুখত নিজৰ প্ৰকল্পৰ ধাৰণা উপস্থাপন কৰিব লাগিব। প্ৰকল্প প্ৰস্তাৱ বাচনিৰ ক্ষেত্ৰত আই.এফ.এ.-ৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। নিৰ্বাচিত সকলো প্ৰকল্প আই.এফ.এ.-য়ে ৰূপায়ণ কৰিব।

গুৰুত্বপূৰ্ণ তাৰিখসমূহ:

- চূড়ান্ত প্ৰকল্প প্ৰস্তাৱ দাখিলৰ তাৰিখ: **December 15, 2026**
- ৰূপায়ণৰ বাবে নিৰ্বাচিত প্ৰকল্প প্ৰস্তাৱৰ তালিকা **2027**ৰ জানুৱাৰীত ঘোষণা কৰা হ'ব।

অনুগ্ৰহ কৰি মন কৰিব যে শিশুকে ধৰি যুৱচামে সমান সমৰ্থন, সন্মান আৰু সু�ৰক্ষা লাভ কৰিব পৰা এক নিৰাপদ পৰিৱেশ গঢ়ি তোলাৰ প্ৰতি আই.এফ.এ. সদায়েই অংগীকাৰবদ্ধ। আবেদনকাৰীয়ে এই দিশসমূহৰ প্ৰতি সততে লক্ষ্য ৰাখিব লাগিব আৰু তেনে দৃষ্টিভংগী অক্ষুণ্ণ ৰাখিব লাগিব।